# Telephone Conversation between PM and President of the Republic of Uganda

April 09, 2020

# প্ৰধানমন্ত্ৰী আৰু ওগাণ্ডা গণৰাজ্যৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 09, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ওগাণ্ডা গণৰাজ্যৰ মাননীয় ৰাষ্ট্ৰপতি শ্ৰী য়ুৱেৰি কাগুটা মুছেভেনিৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

দুয়ো গৰাকী নেতাই ক'ভিড-19 মহামাৰীৰ ফলত উদ্ভৱ হোৱা স্বাস্থ্য আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিগৰাকীক কয় যে এই সংকটৰ সময়ছোৱাত ভাৰতে আফ্ৰিকাৰ কাষত থিয় দিয়াৰ লগতে এই ভাইৰাছক ৰোধ কৰাৰ ক্ষেত্ৰত সাম্ভাব্য সকলোধৰণৰ সহযোগিতা আগবঢ়াবলৈ প্ৰস্তুত।

সাম্প্ৰতিক পৰিস্থিতিত ওগাণ্ডাৰ প্ৰবাসী ভাৰতীয়সকললৈ ওগাণ্ডা চৰকাৰ আৰু বিভিন্ন সংস্থাসমূহে আগবঢ়োৱা সমৰ্থনৰ বাবে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিগৰাকীক ধন্যবাদ প্ৰদান কৰে।

প্ৰধানমন্ত্ৰীয়ে জুলাই 2018ত ওগাণ্ডা ভ্ৰমণৰ সময়ছোৱাৰ কথা সোঁৱৰাৰ লগতে ভাৰত-ওগাণ্ডাৰ বিশেষ সম্পৰ্কৰ প্ৰসংগও তুলি ধৰে।

বিশ্বই অতি শীঘ্ৰে ক'ভিড-১৯ৰ কবলৰ পৰা মুক্ত হ'ব বুলিও দুয়োগৰাকী নেতাই আশা প্ৰকাশ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 09, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.